# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 16-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২০ চনত সম্পাদিত শান্তি চুক্তিৰ পাছৰে পৰা বড়ো ভূমিত উন্নয়নৰ নতুন ঢৌ বলিছে বুলি মন্তব্য কৰিছে।

২।	প্ৰধানমন্ত্ৰী আজি ছদিনীয়া ভ্ৰমণ সূচীৰে নাইজেৰিয়া, ব্ৰাজিল আৰু গায়ানালৈ বুলি ৰাওনা হ'ব।

৩।	উত্তৰ প্ৰদেশৰ ঝাঁচি চিকিৎসা মহাবিদ্যালয়ৰ নৱজাতকৰ ইনণ্টেছিভ কেয়াৰ উইনিটত যোৱা নিশা হোৱা অগ্নিকাণ্ডৰ ঘটনাত কমেও ১০ টি নৱজাতক মৃত্যু ঘটে।

৪।	ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বায়ুৰ গুণগত মান এতিয়াও শোচনীয় হৈ আছে।

*আৰু*

৫।	ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ৩-১ ফলাফলেৰে টি-২০ ক্ৰিকেট শৃংখলা দখল কৰিছে।

ooooo

বড়ো শান্তি চুক্তিয়ে অকল বড়ো সম্প্ৰদায়ক উপকৃত কৰাই নহয় বৰং ভালেমান শান্তি চুক্তিৰ বাত প্ৰশস্ত কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত বড়োলেণ্ড মহোৎসৱ উদ্বোধন কৰি দিয়া ভাষণত প্ৰকাশ কৰে। তেওঁ কয়, যে শান্তি চুক্তিৰ বাবে অকল অসমতে ১০ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে অস্ত্ৰ-শস্ত্ৰ আৰু হিংসা ত্যাগ কৰি মূল সুঁতিলৈ ঘূৰি আহিছে। তেওঁ কয় যে, শান্তি চুক্তি পাছৰে পৰা বড়ো ভূমিত উন্নয়নৰ নতুন ঢৌ পৰিলক্ষিত হৈছে।  প্ৰধানমন্ত্ৰীয়ে কয়, যে ৫০ বছৰজোৰা হিংসাত্মক পৰিস্থিতিৰ পাছত বড়ো ভূমিত হোৱা উন্নয়নে তেওঁক সন্তুষ্টি দিছে। শ্ৰী মোদীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে বড়োলেণ্ডৰ উন্নয়নৰ বাবে এহেজাৰ ৫০০ কোটি টকাৰ বিশেষ পেকেজ প্ৰদান কৰিছে। বড়োলেণ্ডত শিক্ষা, স্বাস্থ্য আৰু সংস্কৃতিৰ সৈতে জড়িত আন্তঃগাঁথনি উন্নয়নৰ বাবে ৭০০ কোটিৰো অধিক টকা ব্যয় কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ নক্সালবাদৰ পথ অনুসৰণ কৰা লোকসকলক বড়ো সম্প্ৰদায়ৰ লোকসকলৰ পৰা কিবা শিকিবলৈ প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়। শ্ৰী মোদীয়ে বছৰ বছৰ জোৰা সংঘৰ্ষ আৰু মধ্যস্থতাৰ প্ৰয়াসৰ অন্তত নতুন ইতিহাস ৰচনা কৰাৰ বাবে বড়ো সম্প্ৰদায়ৰ লোকসকলক ভূয়শী প্ৰশংসা কৰে। ২০২০ চনত বড়ো শান্তি চুক্তি সম্পাদিত হোৱাৰ পাছত লাভ কৰা কোকৰাঝাৰ ভ্ৰমণৰ কথা স্মৰণ কৰি শ্ৰী মোদীয়ে কয়, যে অঞ্চলটোৰ জনসাধাৰণে তেওঁৰ প্ৰতি দেখুওৱা মৰম আৰু আন্তৰিকতাক তেওঁ কেতিয়াও পাহৰিব নোৱাৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে এই কোকৰাঝাৰ ভ্ৰমণৰ চাৰি বছৰ পাছতো একেই ধৰণৰ মৰম আৰু

আন্তৰিকতাই তেওঁক আপ্লুট কৰি তুলিছে। দক্ষতা বিকাশ আৰু যুৱ প্ৰজন্ম তথা মহিলাৰ উন্নয়নৰ বাবে সুযোগৰ উপলব্ধতাৰ বিষয়ে গুৰুত্ব আৰোপ কৰি শ্ৰী মোদীয়ে দক্ষতা, উদ্যমশীলতা, কৰ্মসংস্থাপন আৰু উন্নয়নৰ বাবে প্ৰৱৰ্তন কৰা **ছীড** অভিযানৰ বিষয়ে উল্লেখ কৰে। এই অভিযানৰ জৰিয়তে বড়ো সম্প্ৰদায়ৰ যুৱক-যুৱতীসকল উপকৃত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয়, যে বড়ো সম্প্ৰদায়ৰ প্ৰগতি আৰু সমৃদ্ধি সুনিশ্চিত কৰিবলৈ এন ডি এ চৰকাৰ বদ্ধপৰিকৰ। অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক দেশৰ অষ্টলক্ষ্মী বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে উন্নত ভাৰতৰ সংকল্পলৈ নতুন শক্তি প্ৰদানৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ পৰাই উন্নয়নৰ উদয় হ'ব। তেওঁ কয়, যে চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজৰ সীমা বিবাদৰ সৰ্বসন্মত সমাধানেৰে অঞ্চলটোত স্থায়ী শান্তিৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আছে।

অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, বি টি আৰৰ মুৰব্বী প্ৰমোদ বড়ো, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়ো, বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰী বড়ো মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাৰ্চুৱেল ব্যৱস্থাৰে অনুষ্ঠানত ভাগ লয়। বড়োভূমিৰ কলা-সংস্কৃতি, ভাষা সাহিত্যৰ ভিন্ন দিশ প্ৰতিফলিত কৰাৰ উপৰি ২০২০ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বড়ো শান্তি চুক্তি সম্পাদিত হোৱাৰ পাছৰে পৰা অঞ্চলটোত প্ৰতিষ্ঠা হোৱা শান্তিৰ পৰিবেশ চিৰস্থায়ী কৰাৰ লক্ষ্যৰে এই মহোৎসৱ অনুষ্ঠিত হৈছে। এই শান্তি চুক্তিয়ে বড়ো ভূমিত সংঘৰ্ষ আৰু হিংসাৰ অৱসান ঘটোৱাই নহয় বৰং উত্তৰ-পূৰ্বাঞ্চলত আন বহু শান্তি চুক্তিৰ বাবে পথ মুকলি কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আজি ছদিনীয়া ভ্ৰমনসূচীৰে নাইজেৰিয়া, ব্ৰাজিল আৰু গায়ানালৈ যাব। তিনিখন দেশ ভ্ৰমণৰ প্ৰথম কাৰ্যসূচী হিচাপে তেও আজি নাইজেৰিয়াত উপস্থিত হ'বগৈ। ৰাষ্ট্ৰপতি বোলা আহমেদ টিনুবুৰ আমন্ত্ৰণমৰ্মে প্ৰধানমন্ত্ৰী গৰাকী নাইজেৰিয়ালৈ যাব। উল্লেখ্য যে ১৭ বছৰৰ পাছত ভাৰতৰ কোনো এগৰাকী প্ৰধানমন্ত্ৰীয়ে নাইজেৰিয়া ভ্ৰমণ কৰিব। ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দেশখনৰ শীৰ্ষ নেতৃত্বৰ সৈতে দুয়োখন দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্বৰ পৰ্যালোচনা কৰাৰ লগতে দ্বিপাক্ষিক সম্পৰ্ক বৃদ্ধিৰ সন্দৰ্ভত আলোচনাত মিলিত হ'ব। তেওঁ নাইজেৰিয়াত থকা ভাৰতীয় সম্প্ৰদায়ৰ এখন সমাৱেশতো ভাষণ দিব। ভাৰত আৰু নাইজেৰিয়াই ২০০৭ চনৰ পৰাই ক্ৰমবৰ্ধমান অৰ্থনীতি, শক্তি আৰু প্ৰতিৰক্ষাৰ সহযোগিতাৰে কৌশলগত অংশীদাৰিত্বৰ বাবে কাম কৰি আহিছে। ভাৰতৰ ২০০ৰো অধিক কোম্পানীয়ে নাইজেৰিয়াৰ গুৰুত্বপূৰ্ণ খণ্ডসমূহত ২৭ বিলিয়ন ডলাৰতকৈ অধিক বিনিয়োগ কৰিছে।

নাইজেৰিয়াৰ পৰা ১৮ নবেম্বৰত প্ৰধানমন্ত্ৰী মোদী ব্ৰাজিললৈ যাত্ৰা কৰিব। তাত তেওঁ ৰিঅ' ডি জেনেইৰ'ত আয়োজন কৰা জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। এই সন্মিলনৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে বিশ্বজুৰি সৃষ্টি হোৱা বিভিন্ন সমস্যা আৰু বিষয়ত ভাৰতৰ স্থিতি দাঙি

ধৰিব। জি-২০ সন্মিলনতে প্ৰদানমন্ত্ৰী মোদীয়ে বিশ্বৰ কেইবাজনো নেতাক সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে।

ইয়াৰ পিছতে প্ৰধানমন্ত্ৰী গায়ানালৈ যাব। 19 নবেম্বৰৰ পৰা 21 নবেম্বৰলৈ তেওঁ গায়ানাত থাকিব । **১৯৬৮** চনৰ পিছত ভাৰতৰ কোনো এগৰাকী প্ৰধানমন্ত্ৰীৰ এয়া হৈছে প্ৰথমটো গায়ানা ভ্ৰমণ। যোৱা বছৰ গায়ানাৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ ইৰফান আলীয়ে মধ্যপ্ৰদেশৰ ইন্দোৰত অনুষ্ঠিত **১৭** সংখ্যক প্ৰবাসী ভাৰতীয় দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিছিল। এই অনুষ্ঠানত তেওক প্ৰবাসী ভাৰতীয় সন্মানেৰে সন্মানিত কৰা হৈছিল।এই ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি ইৰফান আলীৰ সৈতে আলোচনাত মিলিত হোৱাৰ লগতে গায়ানাৰ অন্যান্য জ্যেষ্ঠ নেতাসকলকো সাক্ষাৎ কৰিব।০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৰেঞ্চৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

উত্তৰ প্ৰদেশৰ ঝাঁচি চিকিৎসা মহাবিদ্যালয়ৰ নৱজাতকৰ ইণ্টেছিভ কেয়াৰ উইনিটত যোৱা নিশা হোৱা অগ্নিকাণ্ডৰ ঘটনাত কমেও ১০ টি নৱজাতক মৃত্যু ঘটে। জিলাধিপতি অৱিনাশ কুমাৰে সাংবাদিকৰ আগত কয়, যে সম্ভৱতঃ ছৰ্টচাৰ্কিটৰ বাবে নিশা প্ৰায় ১০ বাজি ৪৫ মিনিটত এই অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। প্ৰাৰম্ভিক অৱস্থাত ১০ টি শিশুৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। চিকিৎসালয়ৰ বিষয়াসকলে প্ৰকাশ কৰা মতে অগ্নিকাণ্ডৰ সময়ত ইণ্টেছিভ কেয়াৰ উইনিট ৱাৰ্ডত ৫৪ টি নৱজাতক ভৰ্তি হৈ আছিল আৰু আবদ্ধ কেইবাটিও শিশুক উদ্ধাৰ কৰা হৈছে।

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে সামাজিক মাধ্যমযোগে অগ্নিকাণ্ডত প্ৰাণ হেৰুওৱা শিশুসকলৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰকাশ কৰিছে।

০০০০০

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বায়ুৰ গুণগত মান এতিয়াও শোচনীয় হৈ আছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে প্ৰকাশ কৰা মতে কালি বিয়লি ৰাষ্ট্ৰীয় ৰাজধানীত বায়ুৰ গুণগত মান এ কিউ আই সূচ্যাংক ৩৮৬ পোৱা গৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰত পৰৱৰ্তী ২-৩ দিনত নিশা আৰু পুৱাৰ ভাগত ধোঁৱা মিহলি কুঁৱলী পৰিব পাৰে বুলি আগলি বতৰা দিছে। পৰিষদৰ তথ্য অনুসৰি বৱানাত এ কিউ আই ৪৫০, আনন্দ বিহাৰত ৪৪২, অশোক বিহাৰত ৪৩১, দ্বাৰকাত ৪০৮, পাঞ্জাবিবাগত ৪২২ আৰু ৰোহিনীত ৪৩৪ পোৱা গৈছে।

০০০০০

মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ' চমুকৈ NCBয়ে কালি দিল্লীত অভিযানত চলাই প্ৰায় ৯০০ কোটি টকাৰ কোকেইন জব্দ কৰিছে। গৃহ মন্ত্ৰ্যালয়ে এটা বিবৃতিত কয় যে, জব্দ কৰা নিষিদ্ধ সামগ্ৰী সমূহৰ কিছু অংশ কুৰিয়াৰ বা সৰু মালবাহী সেৱাৰ জৰিয়তে অষ্ট্ৰেলিয়ালৈ প্ৰেৰণৰ লক্ষ্য লৈছিল। মন্ত্ৰালয়ে জনোৱা মতে, এই গোচৰৰ সৈতে জড়িত ব্যক্তিসকল মূলতঃ হাৱালাৰ জৰিয়তে ধনৰ লেনদেন কৰে আৰু দৈনন্দিন কথা-বতৰাৰ বাবে ছদ্মনাম ব্যৱহাৰ কৰে। এতিয়ালৈকে এই সন্দৰ্ভত দুজন গুৰুত্বপূৰ্ণ সদস্যক গ্ৰেপ্তাৰ কৰা হৈছে আৰু জব্দ কৰা কোকেইনৰ উৎস চিনাক্ত কৰি অধিক নিচাযুক্ত সামগ্ৰী উদ্ধাৰৰ বাবে তদন্ত অব্যাত ৰাখিছে।0000

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে ৫ বছৰৰ ভিতৰত ৱৰ্ধা-নন্দেড ৰে'ল প্ৰকল্প সম্পূৰ্ণ হ'ব বুলি ঘোষণা কৰিছে। তেওঁ লগতে কয় যে অঞ্চলটোৰ জলসিঞ্চন ব্যৱস্থা অধিক সুচল কৰাৰ বাবে পেংগাংগা নদীক নদী সংযোগী প্ৰকল্পত অন্তৰ্ভুক্ত কৰা হ'ব আৰু নাগপুৰ-মুম্বাই সমৃদ্ধি এক্সপ্ৰেছৱে যাৱতমাল জিলাৰ উমাৰ্খেডলৈকে সম্প্ৰসাৰণ কৰা হ'ব। কালি বিয়লি মহাৰাষ্ট্ৰৰ যৱতমল জিলাত মহজোটৰ এগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি গৃহমন্ত্ৰী গৰাকীয়ে এই কথা ঘোষনা কৰে। ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে যে যে কংগ্ৰেছে বিগত ৭০ বছৰ ধৰি উন্নয়নত বাধা আৰোপ কৰি আহিছে। তেওঁ ৱাকফ আইন সংস্কাৰৰ প্ৰয়োজনীয়তাও উল্লেখ কৰে।

০০০০০

ভাৰতে যোৱা নিশা জোহান্সবাৰ্গত অনুষ্ঠিত চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাক ১৩৫ ৰানত পৰাস্ত কৰি ৩-১ ফলাফলেৰে শৃংখলা হস্তগত কৰে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেটধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত এটা উইকেট হেৰুৱাই ২৮৩ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ তিলক বাৰ্মাই ৪৭ টা বলত ১২০ ৰান কৰে। সঞ্জু ছেমছনে ৫৬ টা বলত ১০৫ ৰানৰ বৰঙণি আগবঢ়ায়। তিলক বাৰ্মা আৰু সঞ্জু ছেমছনৰ যুটীটোৱে ২১০ ৰান কৰি আউট নোহোৱাকৈ থাকে। ভাৰতৰ টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ ইতিহাসত এয়া কোনো এটা যুটীয়ে সংগ্ৰহ কৰা সৰ্বাধিক ৰান। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ১৮ অভাৰ আৰু ২ টা বলত ১৪৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ অৰ্শদীপ সিঙে তিনিটা উইকেট দখল কৰে। বৰুন চক্ৰৱৰ্তী আৰু অক্ষৰ পেটেলে দুটাকৈ উইকেট লাভ কৰে। তিলক বাৰ্মাক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০

**সমাপ্ত**